**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 25-07-2025 **Time :** 0755Hrs.

## Assamese Morning Bulletin

গোৱালপাৰা জিলাত চলা উচ্ছেদ অভিযানৰ সময়ত নীতি-নিৰ্দেশনা উলংঘা কৰাৰ অভিযোগত ৰাজ্য চৰকাৰৰ বিৰুদ্ধে আদালত অৱমাননাৰ গোচৰৰ শুনানি গ্ৰহণ কৰিবলৈ উচ্চতম ন্যায়ালয়ে সন্মত হৈছে। মুখ্য ন্যায়াধীশ বি আৰ গাৱাই আৰু ন্যায়াধীশ কে বিনোদ চন্দ্ৰনৰ দ্বাৰা গঠিত বিচাৰপীঠে কালি অসমৰ মুখ্য সচিব আৰু অন্যান্য জড়িতসকললৈ দুসপ্তাহৰ ভিতৰতে উত্তৰ দিবলৈ জাননী জাৰি কৰিছে। গোৱালপাৰাৰ ৮ জন আবেদনকাৰীয়ে জিলাখনত কৰা উচ্ছেদ ব্যক্তিগত শুনানি আৰু আবেদন অথবা ন্যায়িক পৰ্যালোচনাৰ বাবে পৰ্যাপ্ত সময় নিদিয়াকৈ কৰা হৈছে বুলি উচ্চতম ন্যায়ালয়ত অভিযোগ দাখিল কৰিছিল। লগতে এই অভিযান এটা সংখ্যালঘু সম্প্ৰদায়ক লক্ষ্য কৰি কৰা হৈছে বুলি অভিযোগ কৰি আবেদনকাৰীসকলে একে ঠাইতে থকা সংখ্যাগুৰু সম্প্ৰদায়ৰ লোকক এই অভিযানে স্পৰ্শ কৰা নাই বুলি প্ৰকাশ কৰিছে। প্ৰশাসনৰ বৈষম্যমূলক নীতিক এই অভিযানে প্ৰমাণ কৰিছে বুলি আবেদনকাৰীসকলে অধিবক্তা আদিল আহমেদৰ জৰিয়তে অভিযোগ দৰ্শাইছে। উচ্চতম ন্যায়ালয়ে ২০২৪ চনৰ ১৩ নৱেম্বৰত জাৰি উচ্ছেদ সম্পৰ্কীয় ৰাষ্ট্ৰজোৰা নিৰ্দেশনাৰ বিষয়ে উল্লেখ কৰি আবেদনখনত কাৰণ দৰ্শোৱাৰ জাননী অবিহনে উচ্ছেদ বাৰণ আৰু ভুক্তভোগীক ১৫ দিনৰ উত্তৰ দিয়াৰ সময়সীমা দিবলৈ ন্যায়ালয়ে জাৰি কৰা নিৰ্দেশনাও ৰাজ্য চৰকাৰে উলংঘা কৰা বুলি অভিযোগ কৰা হৈছে।

ইপিনে, বন বিভাগে কালি গোলাঘাট জিলাৰ মেৰাপানীৰ ২ নম্বৰ নেঘেৰিবিল গাঁৱত বাস কৰা দখলকাৰীসকলক সাত দিনৰ ভিতৰত গাঁও এৰিবলৈ জাননী জাৰি কৰে। গোলাঘাট সংমণ্ডলৰ বন বিষয়াই জাৰি কৰা এই জাননীত এই লোকসকলে জামুগুৰি আঞ্চলিক বন কাৰ্যালয়ৰ অন্তৰ্গত দৈয়াং সংৰক্ষিত বনাঞ্চল এলেকাত অবৈধভাৱে প্ৰৱেশ কৰি বনাঞ্চল ধবংস কৰি গৃহ নিৰ্মাণৰ লগতে বনভূমিক কৃষিভূমিলৈ ৰূপান্তৰ কৰিছে বুলি কোৱা হৈছে। সংৰক্ষিত বনাঞ্চলত অনুমতি নোহোৱাকৈ বসবাস কৰাৰ বাবে তেওঁলোকক শীঘ্ৰেই এই বনভূমি খালী কৰি দিবলৈ নিৰ্দেশ দিয়া হৈছে। আমাৰ গোলাঘাটৰ সংবাদদাতাই জনোৱা মতে এই জাননী দিয়াৰ সময়ত বহুসংখ্যক লোক ওলাই আহি প্ৰতিবাদ সাব্যস্ত কৰে। বন বিভাগৰ এই জাননী পক্ষপাতিত্বমূলক বুলি অভিযোগ কৰি জাননী লাভ কৰা লোকসকলে উচ্ছেদৰ জাননী ফালি পেলাই বুলিও আমাৰ সংবাদদাতাই জনাইছে।

উৰিয়ামঘাট অঞ্চলত বাস কৰা সন্দেহযুক্ত নাগৰিকক উচ্ছেদৰ বাবেও বনবিভাগে ইতিমধ্যে জাননী জাৰি কৰিছে। উচ্ছেদৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি উৰিয়ামঘাটত পৰিস্থিতিৰ বুজ ল'ব। বন বিভাগৰ জাননী লাভ কৰাৰ পাছতে কেইবাশ দখলকাৰীয়ে উৰিয়ামঘাটৰ পৰা অন্য ঠাইলৈ ৰাওনা হৈছে বুলি আমাৰ গোলাঘাটৰ সংবাদদাতাই জনাইছে। বন বিভাগৰ জাননী অনুসৰি অহা ২৭ জুলাইৰ পৰা সেই স্থানত উচ্ছেদ চলোৱা হ'ব।

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি ডিব্ৰুগড়ত প্ৰায় ৬০০ কোটি টকা ব্যয়সাপেক্ষ কেইবাখনো আঁচনিৰ আধাৰশিলা স্থাপন কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ১৪৬ কোটি ৪৩ লাখ টকা ব্যয় সাপেক্ষে মুখ্যমন্ত্ৰীৰ বিশেষ অনুদান আৰু পি এম ঊষা আঁচনিৰ অধীনত বিভিন্ন আন্তঃগাঁথনিমূলক কাম-কাজৰ ড° শৰ্মাই কালি আধাৰশিলা স্থাপন কৰে।

মুখ্যমন্ত্ৰীৰ বিশেষ অনুদান আঁচনিৰ অধীনত বিশ্ববিদ্যালয়খনৰ আভ্যন্তৰীণ পথসমূহৰ সম্প্ৰসাৰণ আৰু মেৰামতি, ১৬ টা আবাসযুক্ত হাউছিং ব্লক, ক্ৰীড়া প্ৰাংগন আৰু ব্যায়ামাগাৰ নিৰ্মাণ কৰা হ'ব। একেদৰে প্ৰধানমন্ত্ৰী উচ্চতৰ শিক্ষা অভিযান, চমুকৈ ঊষাৰ অধীনত ১৭৬ গৰাকী ছাত্ৰী থাকিব পৰা নিবাস, শৈক্ষিক ভৱন, শৈক্ষিক গৱেষণা কেন্দ্ৰ আৰু ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা গ্ৰন্থাগাৰ উন্নীতকৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা হয়। ৰাষ্ট্ৰীয় শিক্ষা নীতি, ২০২০-ৰ সফল ৰূপায়ণৰ লক্ষ্যৰে গ্ৰহণ কৰা এই

পদক্ষেপে অসমৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনক নতুন দৃষ্টিভংগীৰে অগ্ৰসৰ হোৱাত সহায় কৰিব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰী শৰ্মাই তেওঁৰ ভাষণত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ লগতে ৰাজ্যৰ ভালেকেইখন বিশ্ববিদ্যালয়ত আন্তঃগাঁথনি উন্নয়নৰ কাম আৰম্ভ হৈছে বুলি প্ৰকাশ কৰে। বিশ্ববিদ্যালয়খনৰ চৌহদত ৩২৪ গৰাকী ছাত্ৰী থাকিব পৰা এটা অত্যাধুনিক ছাত্ৰী নিবাসৰ আধাৰশিলা স্থাপন কৰাৰ লগতে মুখ্যমন্ত্ৰীয়ে কালি ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় চিকিৎসালয় চৌহদত অধ্যাপকৰ আবাস প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰে।

ইয়াৰ লগতে ড° শৰ্মাই নাহৰকটীয়াত ১৩০ কোটি টকা ব্যয়সাপেক্ষে কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰে। এই অনুসৰি নাহৰকটীয়া সম জিলা আয়ুক্ত কাৰ্যালয়, নামৰূপ-নাহৰকটীয়া পথ উৰণ সেতু, নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় ভৱন, কুঁৰৰীগাঁও উচ্চ মাধ্যমিক বিদ্যালয় ভৱন আৰু হকী ষ্টেডিয়ামৰ আধাৰশিলা স্থাপন কৰে।

অনুষ্ঠানত পৰিবহণ মন্ত্ৰী যোগেন মহন, দক্ষতা, নিয়োগ আৰু উদ্যমিতা আদি বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন আৰু নাহৰকটীয়াৰ বিধায়ক তৰংগ গগৈ উপস্থিত থাকে।

0000000

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন , অসম ৰাজ্যিক গ্ৰাম্য জীৱিকা অভিযান , পৰ্যটন আদি বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে কালি চৰাইদেউ জিলা আয়ুক্তৰ কাৰ্যালয়ত বিভাগীয় বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত মন্ত্ৰীগৰাকীয়ে চৰাইদেউ জিলাত ৰূপায়ণ হৈ থকা বিভিন্ন চৰকাৰী উন্নয়নমূলক কাৰ্যসূচী আৰু আঁচনিৰ অগ্ৰগতিৰ বুজ লয়। তেওঁ জিলাখনত বিভিন্ন আঁচনিৰ সঠিক ৰূপায়ণ নিশ্চিত কৰাৰ লগতে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰহিতাধিকাৰী সকলে লাভ কৰা ঘৰ সমূহৰ নিৰ্মাণ কাৰ্য শীঘ্ৰে সোনকালে কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে।

বৈঠকত সোণাৰি বিধানসভা সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ , জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া দীপক ভূঞা, চৰাইদেউ জিলাৰ অতিৰিক্ত আয়ুক্ত , সোণ তৃষ্ণা ঘৰফলীয়াৰ লগতে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন , পৰ্যটন বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

000000

**সমাপ্ত**